মানুহৰ বস্তুগত, ভাৱগত, আধ্যাত্মিক, জাগতিক সকলো বস্তু সৃষ্টিকে সামৰি লয়।

সমাজ বিজ্ঞানী আৰু নৃতত্ত্ববিদ 'মেথিউ আৰ্ণ্ডৰ মতে মাধুৰ্য্য আৰু আলোকেই সংস্কৃতি। দাৰ্শনিক কাশ্মীৰাৰ, ~~মেথিউ আৰ্ণ্ডৰ~~ মতে মানৱৰ ~~নৈতিক~~ নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশেই হ'ল সংস্কৃতি। দাৰ্শনিক আৰু ~~নৃতাত্ত্ব~~ নৃতত্ত্ববিদ ডেভিড উনদিয়ে কয় যে কোনো এক ভৌগোলিক পৰিৱেশৰ মাজত মানৱ প্ৰকৃতিৰ উৎকৰ্ষ সাধনে সংস্কৃতি। ইংৰাজী 'Culture' সংস্কৃত প্ৰতিশব্দ 'সংস্কৃতি'। সংস্কৃত আৰু সংস্কৃতি উভয়পদে সংস্কৃত শব্দ 'সংস্কাৰ'ৰ পৰা আহিছে। বিভিন্ন সংস্কাৰৰ মাধ্যমত সামূহিক জীৱনত লাভ কৰা উৎকৰ্ষিত অৱস্থাৰ আন নাম সংস্কৃতি। সেইফালৰ পৰা সংস্কৃতি শোধন প্ৰক্ৰিয়া বুলিব পাৰি। মুঠতে প্ৰকৃতিৰ উৰ্ধ্বক্ৰম প্ৰক্ৰিয়াই সংস্কৃতি। ব্ৰিটিছ নৃতত্ত্ববিদ এডোৱাৰ্ড বাৰ্নেট টাইলাৰে ~~পাইলাৰে~~ পোনতে ~~পাৰ্কি~~ "Culture" পদটোৰ অৰ্থ ব্যাখ্যা কৰে আৰু ইয়াৰ প্ৰয়োগৰ পৰিধি ~~বৃষ্টিত~~ বিস্তৃতি কৰে।